Total number of pages – 20

30T ACOU

# 2020

# ACCOUNTANCY

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | | |
|---|---|---|
| *Q. No. 1 carries 1 mark each* | | |
| | *1 (a)* | 1×4 = 4 |
| | *1 (b)* | 1×2 = 2 |
| | *1 (c)* | 1×2 = 2 |
| *Q. Nos. 2–6 carry 2 marks each* | | 2×5 = 10 |
| *Q. Nos. 7–11 carry 3 marks each* | | 3×5 = 15 |
| *Q. Nos. 12–18 carry 5 marks each* | | 5×7 = 35 |
| *Q. Nos. 19–22 carry 8 marks each* | | 8×4 = 32 |
| | | Total = 100 |

*Contd.*

1. (a) Fill in the blanks with appropriate word/words : 1×4=4

উপযুক্ত শব্দৰে খালীঠাই পূৰ কৰা ঃ

(i) Unrecorded liabilities when paid are debited to ________ Account.

অলিখিত দেনা যেতিয়া পৰিশোধ কৰা হয়, তেতিয়া ________ হিচাপত ডেবিট কৰা হয়।

(ii) Life Membership Fee is a ________ receipt.

আজীৱন সভ্য মাচুল হৈছে ________ আয়।

(iii) A partner acts as ________ of the firm.

এজন অংশীদাৰে প্ৰতিষ্ঠানটোৰ এজন ________ হিচাপে কাম কৰে।

(iv) A company is required to publish its ________ every year.

এটা কোম্পানীয়ে প্ৰতি বছৰে ইয়াৰ ________ প্ৰকাশ কৰিবলগীয়া হয়।

(b) Choose the correct alternative : 1×2=2

শুদ্ধ উত্তৰটো বাছনি কৰা ঃ

(i) When a new partner does not bring in his share of goodwill in cash, the amount of premium is debited to :

যেতিয়া নতুন অংশীদাৰ এজনে তেওঁৰ সুনামৰ অংশ নগদ অনিব নোৱাৰে, তেতিয়া প্ৰিমিয়ামৰ পৰিমাণ ডেবিট কৰা হয় ঃ

(a) Premium Account

প্ৰিমিয়াম হিচাপ

(b) Cash Account

নগদ হিচাপ

(c) Capital Account of new partner

নতুন অংশীদাৰৰ মূলধন হিচাপ

(d) Capital Account of old partner.

পুৰণি অংশীদাৰৰ মূলধন হিচাপ।

(ii) Financial statements are :

বিত্তীয় বিবৃতিবোৰ হল ঃ

(a) Summarised reports of recorded facts

নথিভুক্ত তথ্যবোৰৰ সংক্ষিপ্ত প্ৰতিবেদন

(b) Detailed reports of recorded facts

নথিভুক্ত তথ্যবোৰৰ বিস্তৃত প্ৰতিবেদন

(c) Summarised reports of only cash transactions

কেৱল নগদ লেনদেন সমূহৰ সংক্ষিপ্ত প্ৰতিবেদন

(d) None of the above.

ওপৰৰ এটাও নহয়।

(c) State whether the following statements are "True" ***or*** "False" : 1×2=2

তলৰ বাক্য কেইফাঁকি শুদ্ধ *নে* অশুদ্ধ লিখা ঃ

(i) Subscription received in advance is an asset.

অগ্রিমপ্রাপ্ত বৰঙনি হ'ল এটা সম্পত্তি।

(ii) Interest on debenture is payable only when a company earns profits.

কোম্পানীয়ে লাভ অৰ্জন কৰিলেহে ঋণপত্ৰৰ ওপৰত সুদ প্ৰদান কৰা হয়।

2. Mention *two* differences between Receipts and Payments account and Income and Expenditure account. 2

জমা খৰচ হিচাপ আৰু আয়-ব্যয় হিচাপৰ মাজৰ *দুটা* পাৰ্থক্য উল্লেখ কৰা।

3. What is Premium for Goodwill? 2

সুনামৰ প্ৰিমিয়াম মানে কি?

4. Give *two* situations under which a partnership firm is dissolved. 2

অংশীদাৰী প্ৰতিষ্ঠানৰ অপসাৰণ হ'ব পৰা *দুটা* পৰিস্থিতি উল্লেখ কৰা।

5. A, B and C are partners sharing profits in the ratio 3 : 2 : 1. A retires. B and C have decided to take up A's share equally. Calculate the new ratio. 2

A, B আৰু C-এ 3 : 2 : 1 অনুপাতত লাভ বিতৰণ কৰে। A-য়ে অৱসৰ গ্ৰহণ কৰে। B আৰু C-এ A ৰ অংশটো সমানে ভগাই লোৱাৰ সিদ্ধান্ত লয়। নতুন লাভ বণ্টনৰ অনুপাত নিৰ্ণয় কৰা।

6. Name *any two* items of current assets. 2

*যিকোনো দুটা* চলিত সম্পত্তিৰ নাম লিখা।

7. Mention *three* uses of financial statement. 3

বিত্তীয় প্ৰতিবেদনৰ *তিনিটা* ব্যৱহাৰ উল্লেখ কৰা।

8. What is common size statement? Mention its *two* uses. 1+2=3

সমাকাৰ প্ৰতিবেদন কি? ইয়াৰ *দুটা* ব্যৱহাৰ উল্লেখ কৰা।

*OR / নাইবা*

Current Ratio is 3·5 : 1 and Quick Ratio 2·5 : 1. Inventory is ₹ 50,000. Calculate current asset and current liabilities. 3

চলিত অনুপাত 3·5 : 1 আৰু তৰল অনুপাত 2·5 : 1। মজুতৰ পৰিমাণ ₹ 50,000। চলিত সম্পত্তি আৰু চলিত দেনাৰ পৰিমাপ নিৰ্ণয় কৰা।

9. Explain the super profit method of valuation of goodwill. 3

সুনাম মূল্যায়নৰ অতি লাভ পদ্ধতি ব্যাখ্যা কৰা।

10. State *three* features of Not-for-profit organisation. 3

লাভ অৰ্জনৰ উদ্দেশ্য নথকা সংগঠনৰ *তিনিটা* বৈশিষ্ট্য উল্লেখ কৰা।

*OR / নাইবা*

Calculate the amount of subscription to be credited to Income and Expenditure Account for the year ended 31st March, 2019. 3

2019 চনৰ 31 মাৰ্চত অন্তপৰা বৰ্ষৰ আয়-ব্যয় হিচাপত ক্ৰেডিট কৰিবলগীয়া বৰঙনিৰ পৰিমাণ নিৰ্ণয় কৰা।

*(i)* Subscription received during the year ended 31st March, 2019, ₹ 2,50,000.

31st মাৰ্চ 2019 ত অন্ত পৰা বৰ্ষৰ ভিতৰত পোৱা বৰঙনিৰ পৰিমাণ 2,50,000 টকা।

*(ii)* Outstanding subscription on 1. 4. 2018 – ₹ 50,000.

1. 4. 2018 তাৰিখে থকা অপ্ৰাপ্ত বৰঙনি 50,000 টকা।

*(iii)* Outstanding subscription on 31. 3. 2019 – ₹ 35,000.

31. 3. 2019 তাৰিখে থকা অপ্ৰাপ্ত বৰঙনি 35,000 টকা।

*(iv)* Advance subscription on 1. 4. 2018 – ₹ 25,000.

1. 4. 2018 তাৰিখে অগ্ৰিম প্ৰাপ্ত বৰঙনি 25,000 টকা।

*(v)* Advance subscription on 31. 3. 2019 – ₹ 30,000.

31. 3. 2019 তাৰিখে অগ্ৰিম প্ৰাপ্ত বৰঙনি 30,000 টকা।

11. What is gaining ratio ? Give *two* distinctions between gaining ratio and sacrificing ratio. 1+2=3

উপকৃত লাভৰ অনুপাত মানে কি? উপকৃত লাভৰ অনুপাত আৰু ত্যাগ অনুপাতৰ মাজৰ *দুটা* পাৰ্থক্য লিখা।

OR / নাইবা

What are the items shown under shareholders' fund ? 3

অংশপত্রধাৰকৰ পুঁজিৰ ভিতৰত দেখুওৱা বিষয় সমূহ কি কি?

12. Prepare Income and Expenditure Account from the following Receipts and Payments Account of Ekta Club for the year 31st December, 2018 : 5

31 ডিচেম্বৰ 2018 তাৰিখে অন্তপৰা বছৰটোৰ বাবে একতা ক্লাবৰ তলত দিয়া জমা আৰু খৰচ হিচাপৰ পৰা বৰ্ষটোৰ বাবে আয়-ব্যয় হিচাপ প্ৰস্তুত কৰা ঃ

**Receipts and Payments Account (জমা আৰু খৰচ হিচাপ)**

| Receipts (জমা) | (₹) | Payments (খৰচ) | (₹) |
|---|---|---|---|
| Cash in hand on 1. 1. 2018 (1. 1. 2018 তাৰিখত হাতত থকা নগদ ধন) | 4,400 | Salary (দৰমহা) | 6,800 |
| | | Rent (ভাড়া) | 8,250 |
| | | Investment (বিনিয়োগ) | 3,500 |
| Admission Fee (প্ৰৱেশ মাচুল) | 3,500 | Postage (ডাক) | 1,250 |
| | | Telephone charges (টেলিফোনৰ খৰচ) | 750 |
| Subscriptions (বৰঙনি) | 19,500 | | |
| Receipts from Billiard Room (বিলিয়াৰ্ড ৰূমৰ পৰা পোৱা ধন) | 2,500 | Books Purchased (কিতাপ ক্ৰয়) | 6,000 |
| Interest on Investment (বিনিয়োগৰ ওপৰত সুত) | 600 | Outstanding Expenses (অনাদায় খৰচ) | 700 |
| Life Membership Fee (আজীৱন সদস্য মাচুল) | 2,000 | Cash in hand on 31. 12. 18 (31. 12. 18 তাৰিখত হাতত থকা নগদ ধন) | 5,700 |
| Sale of Furniture (আচবাব বিক্ৰী) | 100 | | |
| Miscellaneous Receipts (বিভিন্ন আয়) | 350 | | |
| | **32,950** | | **32,950** |

Additional information :

অতিৰিক্ত তথ্য ঃ

(i) Outstanding subscription ₹ 1,000.

অনাদায় বৰঙনিৰ পৰিমাণ 1,000 টকা।

(ii) 60% of the admission fees and the whole of the life membership subscriptions are to be capitalised.

প্ৰৱেশ মাচুলৰ 60% আৰু আজীৱন সদস্য মাচুলক সম্পূৰ্ণৰূপে মূলধনীকৃত কৰিব লাগে।

(iii) Depreciation on Books ₹ 600.

কিতাপৰ ওপৰত অৱক্ষয়ৰ পৰিমাণ 600 টকা।

*OR / নাইবা*

What is the meaning of Fund Based Accounting ? Mention *any three* principles of Fund Based Accounting. 2+3=5

পুঁজি ভিত্তিক হিচাপকৰণৰ অৰ্থ কি? পুঁজিভিত্তিক হিচাপকৰণৰ *যিকোনো তিনিটা* নীতি উল্লেখ কৰা।

13. X Ltd. made a profit of ₹ 5,00,000 after considering the following items : 5

X-লিমিটেডে তলৰ বিষয়সমূহ গণ্য কৰাৰ পিছত 5,00,000 টকা লাভ অৰ্জন কৰিছিল ঃ

(i) Preliminary expenses written off – ₹ 5,000

প্ৰাৰম্ভিক ব্যয়ৰ বিলোপ সাধন — 5,000 টকা

(ii) Depreciation on fixed assets – ₹ 50,000

স্থায়ী সম্পত্তিৰ অৱক্ষয় — 50,000 টকা

(iii) Loss on sale of machinery – ₹ 20,000

যন্ত্ৰপাতি বিক্ৰীৰ পৰা হোৱা লোকচান — 20,000 টকা

(iv) Provision for doubtful debts – ₹ 10,000

সন্দেহজনক ঋণৰ বাবে ভৱিষ্যৎ ব্যৱস্থা — 10,000 টকা

(v) Gain on sale of Land – ₹ 7,500

ভূমি বিক্ৰী কৰি হোৱা লাভ — 7,500 টকা

Position of current assets and current liabilities :
চলিত সম্পত্তি আৰু চলিত দেনাৰ অৱস্থিতি ঃ

| | 2017 (₹) | 2018 (₹) |
|---|---|---|
| Debtors (দেনাদাৰ) | 52,000 | 78,000 |
| Bills Receivables (প্ৰাপ্য বিল) | 15,000 | 12,000 |
| Prepaid expenses (অগ্ৰিম প্ৰদত্ত ব্যয়) | 2,000 | 3,000 |
| Creditors (পাওনাদাৰ) | 40,000 | 51,000 |
| Bills Payable (প্ৰদেয় বিল) | 19,000 | 12,000 |
| Expenses Payable (অপ্ৰদত্ত ব্যয়) | 34,000 | 20,000 |

Calculate cash from operating activities.

ব্যৱসায়িক কাৰ্য্যক্ৰমৰ পৰা নগদ প্ৰৱাহৰ পৰিমাণ নিৰ্ণয় কৰা।

*OR / নাইবা*

What is meant by "cash equivalents"? Mention *any three* objectives of preparing cash flow statement. 2+3=5

"নগদ সমতুল্য" মানে কি বুজা যায়? নগদধন প্ৰৱাহৰ প্ৰতিবেদন প্ৰস্তুত কৰাৰ *যিকোনো তিনিটা* উদ্দেশ্য উল্লেখ কৰা।

14. Calculate the values of opening and closing stock from the following information : 5

নিম্নলিখিত তথ্যৰপৰা আৰম্ভনি আৰু সামৰণি মজুত পণ্যৰ পৰিমাণ নিৰ্ণয় কৰা ঃ

Cost of goods sold — ₹ 2,00,000
(বিক্ৰী কৰা সামগ্ৰীৰ ক্ৰয়মূল্য)

Stock Turnover Ratio — 8 times
(মজুতপণ্যৰ আবৰ্তন অনুপাত) — (8 বাৰ)

Stock at the beginning is 1.5 times more than the stock at the end.
আৰম্ভনি মজুতপণ্য সামৰণি মজুতপণ্যতকৈ 1.5 গুণ বেছি।

OR / নাইবা

What is Ratio Analysis ? Mention *any three* uses of ratio analysis. 2+3=5

অনুপাত বিশ্লেষণ কি? অনুপাত বিশ্লেষণৰ *যিকোনো তিনিটা* ব্যৱহাৰ উল্লেখ কৰা।

15. Ram, Shyam and Mohan were in partnership sharing profits and losses in the ratio of 3 : 2 : 1. On 31. 12. 2018 Shyam retired from the firm, Balance Sheet of the firm on that date was as under : 2+3=5

ৰাম, শ্যাম আৰু মোহনে 3 : 2 : 1 অনুপাতত লাভ-লোকচান বণ্টন কৰি অংশীদাৰী ব্যৱসায় কৰি আছিল। 31. 12. 2018 তাৰিখে শ্যামে প্ৰতিষ্ঠানৰ পৰা অৱসৰগ্ৰহণ কৰে। সেই তাৰিখত প্ৰতিষ্ঠানৰ উদ্বৃত্ত পত্ৰখন তলত দিয়া ধৰণৰ আছিল ঃ

**Balance Sheet (উদ্বৃত্ত পত্ৰ)**

| Liabilities (দেনা) | | (₹) | Assets (সম্পত্তি) | | (₹) |
|---|---|---|---|---|---|
| Sundry Creditors (বিবিধ পাওনাদাৰ) | | 5,000 | Cash (নগদ ধন) | | 600 |
| Reserve (পুঁজি) | | 6,000 | Debtors (দেনাদাৰ) | 15,000 | |
| Bills Payable (প্ৰদেয় বিল) | | 2,600 | Less : Provision (সঞ্চিতি) | 1,500 | 13,500 |
| Capital (মূলধন) ঃ | | | Stock (মজুত পণ্য) | | 18,500 |
| Ram (ৰাম) | 20,000 | | Furniture (আচবাব) | | 8,000 |
| Shyam (শ্যাম) | 15,000 | | Machinery (যন্ত্ৰপাতি) | | 20,000 |
| Mohan (মোহন) | 12,000 | 47,000 | | | |
| | | 60,600 | | | 60,600 |

The terms of retirement were :

অৱসৰৰ চৰ্তসমূহ আছিল ঃ

(i) Goodwill of the firm to be valued at ₹ 12,000.

প্ৰতিষ্ঠানৰ সুনামৰ মূল্যায়ন 12,000 টকাত কৰা হ'ব।

(ii) Machinery to be appreciated by ₹ 5,000.

যন্ত্ৰপাতিৰ মূল্য 5,000 টকাৰে বৃদ্ধি পাব।

(iii) Furniture to be depreciated by ₹ 1,000.

আচবাবৰ মূল্যৰ 1,000 টকাৰ অৱক্ষয় হ'ব।

(iv) Provision for bad debts to be increased by ₹ 400.

অনুদ্ধাৰণীয় ঋণ পুঁজি 400 টকাৰে বৃদ্ধি কৰা হ'ব।

Prepare Revaluation Account and Partners' Capital Account.

পুনৰমূল্যায়ন হিচাপ আৰু অংশীদাৰৰ মূলধন হিচাপ প্ৰস্তুত কৰা।

*OR / নাইবা*

What is share ? Explain different types of shares. 2+3=5

অংশপত্ৰ কি? বিভিন্ন প্ৰকাৰৰ অংশপত্ৰৰ ব্যাখ্যা কৰা।

16. What is Profit and Loss Appropriation Account ? Why is it prepared ? 2+3=5

লাভ লোকচান উপযোজন হিচাপ কি? এই হিচাপ কিয় প্ৰস্তুত কৰা হয়?

*OR* / *নাইবা*

Ajoy, Bijoy and Sanjay were partners in a firm sharing profits in the ratio of 3 : 2 : 1. On 31st March, 2019 their Balance Sheet was as under : 5

অজয়, বিজয় আৰু সঞ্জয় 3 : 2 : 1 অনুপাতত লাভ বিতৰণকাৰী এখন প্ৰতিষ্ঠানৰ অংশীদাৰ আছিল। 31st মাৰ্চ, 2019 তাৰিখত তেওঁলোকৰ উদ্বৃত্তপত্ৰখন তলত দিয়া ধৰণৰ আছিল ঃ

**Balance Sheet (উদ্বৃত্ত পত্ৰ)**

| Liabilities (দেনা) | | (₹) | Assets (সম্পত্তি) | (₹) |
|---|---|---|---|---|
| Creditors (পাওনাদাৰ) | | 4,000 | Building (ভৱন) | 20,000 |
| Reserve (সঞ্চিত পুঁজি) | | 6,000 | Machinery (যন্ত্ৰপাতি) | 16,000 |
| Capital : (মূলধন) | | | Stock (মজুত পণ্য) | 5,100 |
| Ajoy : | 24,000 | | Debtors (দেনাদাৰ) | 6,000 |
| Bijoy : | 12,000 | | Cash at Bank (বেংকত জমা) | 6,900 |
| Sanjay : | 8,000 | 44,000 | | |
| | | 54,000 | | 54,000 |

Ajoy died on 30. 9. 2019. Under the partnership agreement the executors of a deceased partner were entitled to :

30. 9. 2019 তাৰিখত Ajoy-ৰ মৃত্যু হয়। চুক্তিমতে মৃত অংশীদাৰৰ প্ৰতিনিধি সকলে পাব ঃ

(*a*) Amount standing to the credit of Partner's Capital account.

অংশীদাৰৰ মূলধন হিচাপৰ ক্ৰেডিটত থকা প্ৰাপ্য ধন।

(*b*) Interest on Capital @ 12% p.a.

বছৰি 12% হাৰে মূলধনৰ ওপৰত সুত।

(c) Share of goodwill on the basis of 4 years purchase of last 3 years average profits.

বিগত তিনি বছৰৰ গড় লাভৰ চাৰি বছৰ ক্রয় কৰি মূল্যায়ন কৰা সুনামৰ অংশ।

(d) Share of profit from the closing of the last financial year to the date of death on the basis of last year's profit.

বিগত বছৰৰ লাভক ভিত্তি হিচাপে ধৰি লৈ বিগত বছৰৰ সামৰণি তাৰিখৰ পৰা মৃত্যুৰ তাৰিখলৈকে লাভৰ অংশ।

e) Profits for the last three years were :

বিগত তিনি বছৰৰ লাভ আছিল ঃ

| **Year / বৰ্ষ** | **Profit / লাভ** (₹) |
|---|---|
| 2016 - 17 | 8,000/- |
| 2017 - 18 | 12,000/- |
| 2018 - 19 | 7,000/- |

Prepare Ajoy's Capital Account on the date of his death.

Ajoy-ৰ মৃত্যুৰ তাৰিখত তেওঁৰ মূলধন হিচাপ প্রস্তুত কৰা।

17. What is dissolution of partnership ? How does it differ from dissolution of firm ? 2+3=5

অংশীদাৰীত্বৰ অৱসায়ন মানে কি? অংশীদাৰী ব্যৱসায়ৰ অৱসায়নৰ সৈতে ই কিদৰে পৃথক?

OR / নাইবা

Dipali and Rajshri were partners in a firm sharing profits and losses in the ratio of 3 : 2. They decided to dissolve their firm on 31st December, 2019, when their Balance Sheet was as under : 5

দিপালী আৰু ৰাজশ্ৰী 3 : 2 অনুপাতত লাভ লোকচান বণ্টন কৰা এখন প্ৰতিষ্ঠানৰ অংশীদাৰ আছিল। তেওঁলোকে 31 ডিচেম্বৰ, 2019 তাৰিখত প্ৰতিষ্ঠানটোৰ অৱসায়নৰ সিদ্ধান্ত লয়, যেতিয়া তেওঁলোকৰ উদ্বৃত্তপত্ৰখন তলত দিয়াৰ দৰে আছিল ঃ

**Balance Sheet (উদ্বৃত্ত পত্ৰ)**

| Liabilities (দেনা) | | (₹) | Assets (সম্পত্তি) | (₹) |
|---|---|---|---|---|
| Capital : (মূলধন) ঃ | | | Land (ভূমি) | 16,000 |
| Dipali : | 18,400 | | Investments (বিনিয়োগ) | 4,000 |
| Rajshri : | 10,600 | 29,000 | Sundry Debtors (বিবিধ দেনাদাৰ) | 2,000 |
| Sundry Creditors (বিবিধ পাওনাদাৰ) | | 2,000 | Stock (মজুত পণ্য) | 3,000 |
| | | | Cash at Bank (বেংকত জমা) | 6,000 |
| | | **31,000** | | **31,000** |

Investments are sold at ₹ 3,800. Other assets realised as follows :

Land — ₹ 28,000, Sundry Debtors — ₹ 1,800, Stock — ₹ 2,800.

Creditors agreed to accept 5% less. Expenses of realisation amounted to ₹ 400.

বিনিয়োগসমূহ 3,800 টকাত বিক্ৰী কৰা হয়। অন্যান্য সম্পত্তি সমূহ তলত দিয়া ধৰণে মূল্য আদায় কৰা হয় ঃ

ভূমি — 28,000 টকা, বিবিধ দেনাদাৰ — 1,800 টকা, মজুত পণ্য — 2,800 টকা।

পাওনাদাৰসকলে 5% কমকৈ গ্ৰহণ কৰিবলৈ মান্তি হয়। মূল্যআদায়কৰণৰ খৰচৰ পৰিমাণ 400 টকা হয়।

Prepare Realisation Account, Partners' Capital Account and Bank Account.

মূল্যআদায়কৰণ হিচাপ, অংশীদাৰৰ মূলধন হিচাপ আৰু বেংক হিচাপ প্ৰস্তুত কৰা।

18. Explain the following terms : *(any two)* $2\frac{1}{2}+2\frac{1}{2}=5$

তলৰ পদবোৰ ব্যাখ্যা কৰা ঃ *(যিকোনো দুটা)*

*(i)* Calls-in-advance (অগ্ৰিম তলবী)

*(ii)* Under Subscription (কম ক্ৰয়সম্মতি)

*(iii)* Pro-rata allotment of shares (সমানুপাতিক আবণ্টন)

***OR / নাইবা***

Prepare a common size Income Statement from the following information : 5

তলৰ তথ্যৰ পৰা এখন উমৈহতীয়া আকাৰৰ আয়ৰ প্ৰতিবেদন প্ৰস্তুত কৰা ঃ

| | | (₹) |
|---|---|---|
| Sales (বিক্ৰী) | – | 5,00,000 |
| Cost of Goods Sold (বিক্ৰি কৰা পণ্যৰ কিনা দাম) | – | 3,78,000 |
| Operating Expenses (ব্যবসায়িক কামকাজৰ খৰচ) | – | 62,500 |
| Depreciation (অৱক্ষয়) | – | 22,000 |
| Income from Investment (বিনিয়োগৰ পৰা আয়) | – | 70,000 |
| Income Tax (আয়কৰ) | – | 32,500 |

19. Nanu and Manu are partners of a firm. The Trial Balance of the firm as on 31st March, 2019 was as under : 8

নানু আৰু মানু এখন প্ৰতিষ্ঠানৰ অংশীদাৰ। 31 মাৰ্চ, 2019 তাৰিখত প্ৰতিষ্ঠানখনৰ উদ্বৃত্ত মিলনপত্ৰ তলৰ দৰে আছিল ঃ

**Trial Balance (উদ্বৃত্ত মিলন পত্ৰ)**

| Debit | (₹) | Credit | (₹) |
|---|---|---|---|
| Plant and Machinery (যন্ত্ৰপাতি) | 50,000 | Capital : মূলধন ঃ | |
| Goodwill (সুনাম) | 5,000 | Nanu নানু – 40,000 | |
| Sundry Debtors (বিবিধ দেনাদাৰ) | 31,000 | Manu মানু – 30,000 | 70,000 |
| Closing Stock (সামৰণি মজুত পণ্য) | 20,000 | Sundry Creditors (বিবিধ পাওনাদাৰ) | 10,000 |
| Salaries (দৰমহা) | 7,000 | Commission (দস্তুৰি) | 3,000 |
| Depreciation on Plant and Machinery (যন্ত্ৰপাতিৰ ওপৰত অৱক্ষয়) | 5,000 | Sundry Receipts (বিবিধ প্ৰাপ্তি) | 200 |
| Stationery (মনোহাৰী) | 1,000 | Outstanding wages (প্ৰদেয় মজুৰি) | 600 |
| Insurance (বীমা) | 2,000 | Interest on Investment (বিনিয়োগৰ ওপৰত সুত) | 200 |
| Cash in hand (নগদ জমা) | 1,000 | Trading Account : (ক্ৰয়-বিক্ৰয় হিচাপ) ঃ | |
| Investment (বিনিয়োগ) | 10,000 | Gross Profit (মুঠ লাভ) | 50,000 |
| Drawings (আহৰণ) ঃ Nanu (নানু) – 4,000; Manu (মানু) – 2,000 | 6,000 | Bank Loan (বেংকৰ ঋণ) | 4,000 |
| | 1,38,000 | | 1,38,000 |

Prepare Profit and Loss Account, Profit and Loss Appropriation Account and the Balance Sheet of the firm for the year ended 31st March, 2019, after considering the following information :

তলত দিয়া তথ্যসমূহ বিবেচনা কৰি লৈ 31 মাৰ্চ, 2019 তাৰিখত অন্ত পৰা বৰ্ষৰ বাবে প্ৰতিষ্ঠানখনৰ লাভ-লোকচান হিচাপ, লাভ-লোকচান উপযোজন হিচাপ আৰু উদ্বৃত্তপত্ৰখন প্ৰস্তুত কৰা ঃ

(i) Write off ₹ 1,000 as bad debt and provide 5% provision for doubtful debts on remaining debts.

1000 টকা অনুদ্ধাৰণীয় ঋণ হিচাপে ধৰা হ'ব আৰু বাকী থকা দেনাদাৰৰ ওপৰত 5% সন্দেহজনক ঋণপুঁজি গঠন কৰিব লাগে।

(ii) Commission received in advance ₹ 500.

অগ্ৰিম প্ৰদত্ত দস্তুৰিৰ পৰিমাণ 500 টকা।

(iii) Transfer 10% of Net Profit to General Reserve.

প্ৰকৃত লাভৰ 10% সাধাৰণ পুঁজিলৈ স্থানান্তৰ কৰিব লাগে।

(iv) Allow Interest on Capital @ 5% p.a.

বছৰি 5% হাৰে মূলধনৰ ওপৰত সুত ধৰিব লাগে।

20. Bijoya Limited issued 2,000 shares of Rs. 100 each at par, payable as follows : 8

On Application — ₹ 30

On Allotment — ₹ 30

On First Call — ₹ 20

On Final Call — ₹ 20

All the shares were duly subscribed for, called-up and paid-up, except the following :

(a) Arnab holding 100 shares failed to pay first call and final call money.

(b) Ayushi holding 60 shares failed to pay the final money.

All the above shares were forfeited after final call.

বিজয়া লিমিটেডে প্ৰতিখন 100/- টকা মূল্যৰ 2000 খন অংশপত্ৰ সমহাৰত বিলি কৰে আৰু ইয়াক তলত দিয়া ধৰণে পৰিশোধ কৰিব লাগে ঃ

আবেদনৰ লগত — 30/- টকা

আবন্টনৰ লগত — 30/- টকা

প্ৰথম তলবৰ লগত — 20/- টকা

চূড়ান্ত তলবৰ লগত — 20/- টকা

অংশপত্ৰবোৰৰ বাবে সম্পূৰ্ণ আবেদন পোৱা গ'ল আৰু সকলো তলব কৰা হ'ল আৰু তলত উল্লেখ কৰা বোৰৰ বাহিৰে সকলো তলবৰ ধন পোৱা গ'ল।

(a) 100 খন অংশপত্ৰ ধাৰক অৰ্ণৱে প্ৰথম তলব আৰু চূড়ান্ত তলবৰ ধন আদায় নিদিলে।

(b) 60 খন অংশপত্ৰ ধাৰক আয়ুচিয়ে চূড়ান্ত তলবৰ ধন আদায় নিদিলে।

উপৰোক্ত সকলো অংশপত্ৰ চূড়ান্ত তলবৰ পিছত বাজেয়াপ্ত কৰা হ'ল।

Give journal entries in the books of the company to record the above transactions.

উপৰোক্ত লেনদেনসমূহ লিপিবদ্ধ কৰিবৰ বাবে কোম্পানীত বহীত জাবেদা প্ৰৱিষ্টি দিয়া।

*OR / নাইবা*

(a) Mention *three* differences between shares and debentures. 3

অংশপত্ৰ আৰু ঋণপত্ৰৰ মাজৰ *তিনিটা* পাৰ্থক্য উল্লেখ কৰা।

(b) Mention *three* uses of securities premium. 3

প্ৰতিভূতি অধিহাৰৰ *তিনিটা* ব্যৱহাৰ উল্লেখ কৰা।

(c) What is Authorised Capital of a company ? 2

এটা কোম্পানীৰ অনুমোদিত মূলধন মানে কি?

21. Give journal entries in the books of PM Ltd. relating to issue of debentures under the following conditions : 2+3+3=8

ঋণপত্ৰ বিলিৰ লগত জড়িত তলত দিয়া পৰিস্থিতিসমূহৰ বাবে PM-লিমিটেডৰ বহীত জাবেদা প্ৰৱিষ্টি দিয়া ঃ

(a) 120, 8% Debentures of ₹ 1000 each issued at a discount of 5% and redeemable at par.

120 টা, 1000 টকীয়া 8% ঋণপত্ৰ 5% বাট্টাত বিলি কৰে আৰু সমহাৰত পৰিশোধনীয়।

(b) 150, 8% Debentures of ₹ 1000 each issued at 5% discount and redeemable at 10% premium.

150 টা, 1000 টকীয়া 8% ঋণপত্ৰ 5% বাট্টাত বিলি কৰে আৰু 10% অধিহাৰত পৰিশোধনীয়।

(c) 200, 7% Debentures of ₹ 100 each, issued at a premium of 5% and redeemable at 10% premium.

200 টা, 100 টকীয়া 7% ঋণপত্ৰ 5% অধিহাৰত বিলি কৰে আৰু 10% অধিহাৰত পৰিশোধনীয়।

*OR / নাইবা*

Explain different methods of redemption of debentures. 8

ঋণপত্ৰ পৰিশোধৰ বিভিন্ন পদ্ধতিসমূহ বৰ্ণনা কৰা।

22. Jugal and Govind are partners in a firm sharing profits and losses in the ratio 2 : 1. Their Balance Sheet as on 1st June, 2019 was as under : 8

Jugal আৰু Govind 2 : 1 অনুপাতত লাভ আৰু লোকচান বণ্টন কৰাৰ চৰ্তত এখন প্ৰতিষ্ঠানৰ অংশীদাৰ। 1 জুন, 2019 তাৰিখত তেওঁলোকৰ উদ্বৃত্তপত্ৰ তলত দিয়াৰ দৰে আছিল ঃ

**Balance Sheet (উদ্বৃত্ত পত্ৰ)**

| Liabilities (দেনা) | (₹) | Assets (সম্পত্তি) | (₹) |
|---|---|---|---|
| Capital : (মূলধন) ঃ | | Goodwill (সুনাম) | 12,000 |
| Jugal : 30,000 | | Sundry Assets (বিবিধ সম্পত্তি) | 57,000 |
| Govind : 24,000 | 54,000 | | |
| Reserve (পুঁজি) | 6,000 | Cash at Bank (বেংকত নগদ ধন) | 6,000 |
| Sundry Creditors (বিবিধ পাওনাদাৰ) | 12,000 | | |
| Bills Payable (প্ৰদেয় বিল) | 3,000 | | |
| | 75,000 | | 75,000 |

On that date Khirod was admitted as a new partner. He paid ₹ 30,000 towards his capital but unable to pay anything for goodwill in cash. It was agreed that goodwill will be valued at ₹ 21,000. The new profit sharing ratio among Jugal, Govind and Khirod was agreed at 3 : 2 : 1 respectively.

Pass Journal entries to record the above transactions and show the Balance Sheet of the new firm.

উপৰোক্ত তাৰিখে ক্ষীৰোদ এজন নতুন অংশীদাৰ হিচাপে নিযুক্তি পালে। তেঁও নিজৰ মূলধন হিচাপে 30,000 টকা আদায় দিলে, কিন্তু সুনামৰ বাবে কোনো নগদ ধন আনিব নোৱাৰিলে। এই সিদ্ধান্ত লোৱা হয় যে ব্যৱসায়ৰ সুনাম 21,000 টকাত কৰা হ'ব। লাভ বণ্টনৰ নতুন অনুপাত 3 : 2 : 1 হ'ব বুলি সিদ্ধান্ত লোৱা হ'ল।

উপৰোক্ত লেনদেনসমূহ লিপিবদ্ধ কৰিবলৈ জাবেদা প্ৰৱিষ্টি দিয়া আৰু নতুন প্ৰতিষ্ঠানৰ উদ্বৃত্তপত্ৰ প্ৰস্তুত কৰা।

*OR / নাইবা*

(i) Mention *any three* features of partnership business. 3

অংশীদাৰী ব্যৱসায়ৰ *যিকোনো তিনিটা* বৈশিষ্ট্য উল্লেখ কৰা।

(ii) Mention *five* distinctions between "Fixed" and "Fluctuating" Capital. 5

স্থিৰ মূলধন আৰু অস্থিৰ মূলধনৰ মাজৰ *পাঁচটা* পাৰ্থক্য উল্লেখ কৰা।

———×———